# কাৰ্য্যবাহী বিষয়াৰ কাৰ্য্যালয়, পৌৰসভা, ধুবুৰী
# ধুবুৰী :: অসম

**ধুবুৰী পৌৰসভাৰ হাট-ঘাট বজাৰ আৰু পাৰ্কিং ইত্যাদিৰ সমূহ ২০২৪-২৫ ইং চনৰ বাবে পত্তন দিয়াৰ-**

## জাননী

ইয়াৰ দ্বাৰা ৰাইজক জনোৱা যায় যে ধুবুৰী পৌৰসভাৰ অন্তৰ্গত :

(1) Dr. Pannalal Oswal Memorial Market ( Old Lainy Market)

(2) নতুন বজাৰ (New Market)

(3) ৰেলওয়ে সংলগ্ন বজাৰ (Railway Station Market)

(4) ছাগলী বজাৰ (Goat Market)

(5) পঞ্চুঘাট (Panchughat)

(6) লোকাল বোৰ্ড ঘাট (Local Board Ghat)

(7) মীন বজাৰ ঘাট (Local Board Meen Bazar Ghat)

(8) Truck Loading & Unloading in Dhubri Municipal area.

(9) Auto Parking Fee from Authorised Parking Stands under Dhubri Municipal Area.

(10) Parking Fee from All Type of Bus, Winger, Magic, Night Super, Star Bus etc. within the Dhubri Municipal area.

ইত্যাদিৰ বাবে ইং ১ এপ্ৰিল ২০২৪ ইং তাৰিখৰ পৰা ৩১ মাৰ্চ, ২০২৫ লৈকে পত্তন দিয়াৰ বাবে নিবিদা (Tender) আহ্বান কৰা হৈছে। উক্ত নিবিদাৰ নিবিদা পত্ৰ অহা ইং ১৭ জানুৱাৰী, ২০২৪ ইং তাৰিখৰ দিনৰ ১১ বজাৰ পৰা ১৯ জানুৱাৰী, ২০২৪ ইং তাৰিখৰ আবেলি ৫ বজালৈ দিয়া হব আৰু **২০-০১-২০২৪** ইং তাৰিখৰ দিনৰ ১১ (এঘাৰ) বজাৰ পৰা দিনৰ ২ (দুই) বজাৰ ভিতৰত নিবিদা সমূহ পৌৰ কাৰ্য্যালয়ত দাখিল কৰিব লাগিব আৰু সেইদিনাই দিনৰ ২-৩০ বজাত পৌৰপতিৰ কাৰ্য্যলয় কক্ষত Tender Box খোলা হব আৰু নিবিদা সমূহ পৰীক্ষা কৰা হব।

P.T.O

CamScanner

MUNICIPAL ... DHUBRI

তলত দিয়া চৰ্তবিলাক নিলামকাৰী সকলক মানি চলিব লাগিব।

১) নিবিদা দাখিলকাৰী সকলে তেওঁলোকৰ পৰিচয়-পত্ৰ, P.R.C./R.C. অথবা ১৯৬৬ চনৰ ভোটাৰ তালিকা (Link Certificate) সহ নিবিদা দাখিল কৰিব লাগিব।

২) নিবিদা দাখিলকাৰী সকলৰ তেওঁলোকৰ নিজা PAN Card, Aadhar Card আৰু Voter ID নিবিদাৰ লগত দাখিল কৰিব লাগিব।

৩) নিবিদা দাখিলকাৰী সকলে তেওঁলোকৰ নিজা বা পিতৃৰ/মাতৃৰ ঘৰৰ ক'ৰ (Holding Tax) পৰিশোধ কৰাৰ শেহতীয়া প্ৰমান পত্ৰ দাখিল কৰিব লাগিব। যিবোৰ নিবিদাকাৰীৰ নিজা বা তেখেতৰ পিতৃৰ/মাতৃৰ পৌৰসভাৰ হোল্ডিং নাই তেখেত সকলে এই চহৰৰ এজন ক'ৰদাতাৰ দ্বাৰা নিবিদাকাৰীৰ **Guarantor** হিচাবে এখন শপতনামা দাখিল কৰিব লাগিব।

৪) প্ৰতিখন নিবিদাৰ লগত ১০.০০ (দশ) টকাৰ কোৰ্টফি থাকিব লাগিব।

৫) প্ৰতিখন বজাৰৰ হাট-ঘাট ইত্যাদিৰ বাবে বেলেগ বেলেগ নিবিদা দাখিল কৰিব লাগিব। নিবিদা প্ৰ-পত্ৰত নিবিদা দাখিলকাৰীৰ নাম, পিতৃৰ নাম, ঠিকনা, বজাৰ/ঘাটৰ নাম, মোবাইল নম্বৰ, হোলডিং নম্বৰ আৰু মূল্য স্পষ্ট কৰি উল্লেখ কৰিব লাগিব। অস্পষ্ট নিবিদা বাতিল বুলি গণ্য হব।

৬) প্ৰতিখন নিবিদাৰ লগত উক্ত বজাৰ, ঘাট ইত্যাদিৰ নিৰ্দ্ধাৰিত নূন্যতম মূল্যৰ ৫% Demand Draft ৰ জৰিয়তে Municipal Board Dhubri নামত Earnest Money হিচাবে নিবিদাৰ লগত দাখিল কৰিব লাগিব। আন কোনো ধৰনৰ Cheque ইত্যাদি গ্ৰহণ কৰা নহব।

৭) যদি কোনো বজাৰ বা হাট-ঘাট, পাৰ্কিং, ইত্যাদি ১,০০,০০০.০০ (এক লাখ) টকাৰ তলত নিবিদা দাখিলকাৰীৰ নামত পত্তণ দিবলগীয়া হয়, তেনেহলে নিবিদা দাখিলকাৰীয়ে সম্পূৰ্ণ টকা একেলগে ৪৮ ঘন্টাৰ ভিতৰত আদায় দিব লাগিব। ১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰত বজাৰ বা হাট-ঘাট, পাৰ্কিং ইত্যাদি পত্তণ দিবলগীয়া হয় তেনেহলে নিবিদাত উল্লেখিত টকাৰ ৫০ শতাংশ টকা ৪৮ ঘন্টাৰ ভিতৰত আদায় দিব লাগিব। (২৫ শতাংশ টকা আমানত হিচাবে আৰু ২৫ শতাংশ টকা কিস্তিৰ এটা অংশ হিচাবে) বাকী থকা টকা ২ টা সমান কিস্তিত আদায় দিব লাগিব। ইয়াৰে প্ৰথম ২য় কিস্তি ইং ৩০-০৬-২০২৪ আৰু ৩য় কিস্তি ইং ৩০-০৯-২০২৪ তাৰিখৰ ভিতৰত আদায় দিব লাগিব।

৮) নিৰ্বাচিত নিবিদাকাৰীয়ে যদি কোনো কাৰণত কিস্তিৰ টকা নিৰ্দিষ্ট সময়ত আদায় দিয়াত ব্যৰ্থ হয়, তেনেহলে তেওঁৰ আমানতৰ টকা জব্দ হব আৰু আইনমতে ব্যৱস্থা গ্ৰহণ কৰা হব।

৯) নিৰ্বাচিত নিবিদাকাৰীয়ে পত্তন পোৱাৰ আগত তেওঁলোকৰ হাট-ঘাট বজাৰ পাৰ্কিংৰ বিপৰিতে চুক্তি পত্ৰৰ (Agreement) বাবে ১০০ টকাৰ Non Judicial Stamp Paper পৌৰসভাৰ কাৰ্য্যালয়ত জমা দিব লাগিব।

১০) কোনো বাকিদাৰ (Defaulting Lessee) ইজাৰাদাৰ বা বাকীদাৰ (Defaulter) ইজাৰাদাৰ Constituted Attorney বা তেওঁৰ পতি/পত্নী/সন্তান বা সংযুক্ত পৰিবাৰৰ কোনো ব্যক্তিয়ে দাখিল কৰা নিবিদা গ্ৰহণযোগ্য নহব।

১১) নিৰ্বাচিত নোহোৱা নিবিদাকাৰীৰ জমানতৰ টকা (Earnest Money) ইং ১০-০২-২০২৪ তাৰিখৰ পিচত তেওঁলোকৰ আবেদন মৰ্মে ঘুৰাই দিয়া হব।

১২) নিবিদাকাৰীয়ে ২০,০০০ (বিশ হেজাৰ) টকাৰ ওপৰত দিবলগীয়া হলে চেক (Cheque) যোগে প্ৰদান কৰিব লাগিব।

১৩) নিৰ্বাচিত নিবিদাকাৰীয়ে তেওঁলোকৰ হাট-ঘাট, মাছ বজাৰৰ যাবৰ-যোথৰ ডাষ্টবিন চাফ-চিকুন, আৰু বিজুলী মাছুল নিজাববীয়াকৈ বহন কৰিব লাগিব। অন্যথায় পত্তন বাতিল (Cancel) কৰা হব আৰু পৌৰ আইন মতে ব্যৱস্থা গ্ৰহন কৰা হব।

১৪) নিবিদা গ্ৰহণ আৰু পত্তণ দিয়াৰ ক্ষেত্ৰত ধুবুৰী, পৌৰসভাৰ কৰ্তৃপক্ষৰ সিদ্ধান্তই চুৰান্ত বুলি গণ্য কৰা হব।

**১৫) প্ৰশাসনৰ দ্বাৰা ঘোষণা কৰা কোনো প্ৰাকৃতিক দুৰ্যোগৰ বা আইন শৃংখলা জনিত কাৰনৰ বাদে আন কোনো কাৰনত নিবিদা মূল্যৰ ওপৰত ৰেহাই দাবী কৰিব নোৱাৰিব।**

১৬) নূন্যতম হাৰতকৈ(প্ৰত্যেক হাটৰ বিপৰীতে উল্লেখ কৰা অনুযায়ী) কম নিবিদা গ্ৰহণ কৰা নহ'ব আৰু সৰ্বচ্ছ হাৰৰ নিবিদাকাৰীক সংশ্লিষ্ট হাট পত্তন দিয়া হ'ব।

১৭) নিবিদাকাৰী ধুবুৰী পৌৰ এলেকাৰ স্থায়ী বাসিন্দা হব লাগিব।

CamScanner

১৮) নিৰ্বাচিত নিবিদাকাৰীয়ে ২য় আৰু ৩য় কিস্তিৰ বাবে ২ টা Post dated cheque lease order পোৱাৰ আগত জমা দিব লাগিব।

| ক্ৰমিক নং | বজাৰহাট-ঘাট পাৰ্কিং আৰু অন্যান্য | বজাৰ ঘাট সমূহৰ নূন্যতম মূল্য | জমানতৰ টকা ৫% (Earnest Money 5% for General Category) | জমানতৰ টকা ২.৫% (Earnest Money 2.5% for SC/ST/OBC Category) |
|---|---|---|---|---|
| ১ | Dr. Pannalal Oswal Memorial Market( Old Lainy Market) | ৩৭,৪৫,৫০০.০০ | ১,৮৭,২৭৫.০০ | ৯৩,৬৩৮.০০ |
| ২ | নতুন বজাৰ (New Market) | ৩১,৯৯,৫৮৬.০০ | ১,৫৯,৯৭৯.০০ | ৭৯,৯৯০.০০ |
| ৩ | ৰেলওয়ে সংলগ্ন বজাৰ (Railway Station Market) | ৯,১০,০১০.০০ | ৪৫,৫০১.০০ | ২২,৭৫০.০০ |
| ৪ | ছাগলী বজাৰ (Goat Market) | ২৪,৩২,১০০.০০ | ১,২১,৬০৫.০০ | ৬০,৮০৩.০০ |
| ৫ | পঞ্চুঘাট (Panchughat) | ২৩,১১,০৫০ .০০ | ১,১৫.৫৫৩.০০ | ৫৭,৭৭৬.০০ |
| ৬ | লোকল বোৰ্ড ঘাট (Local Board Ghat) | ১৩,২৮,২৫০.০০ | ৬৬,৪১৩.০০ | ৩৩,২০৬.০০ |
| ৭ | মীন বজাৰ ঘাট(Local Board Meen Bazar Ghat) | ১,৮৯,৭৫০.০০ | ৯,৪৮৮.০০ | ৪,৭৪৪.০০ |
| ৮ | Truck Loading & Unloading in Dhubri Municipal Area Without Parking (Market Area will be Excluded). | ৬,১৮,৩১০.০০ | ৩০,৯১৬.০০ | ১৫,৪৫৮.০০ |
| ৯ | Auto Parking Fee from Authorised Parking Stands under Dhubri Municipal Area. | ৩,৭৬,৭৫০.০০ | ১৮,৮৩৮.০০ | ৯,৪১৯.০০ |
| ১০ | Parking Fee from All Type of Bus, Winger, Magic, Night Super, Star Bus etc. within the DhubriMunicipal area. | ৮,৫৩,০৫০.০০ | ৪২,৬৫৩.০০ | ২১,৩২৬.০০ |

কাৰ্য্যবাহী বিষয়া
পৌৰসভা, ধুবুৰী

মেমো নং-ডি.এম./টি/২০২৩-২৪/২২৬ তাৰিখ:- ০৫-০১-২০২৪

**প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু যথাবিহিত কাৰ্য্যকৰণৰ বাবে :-**

১) মুখ্য সচিব, গৃহ নিৰ্মাণ আৰু নগৰীয়া বিষয় বিভাগ, অসম।
২) সঞ্চালক, পৌৰ প্ৰশাসন বিভাগ, অসম।
৩) জিলা উপায়ুক্ত, ধুবুৰী।
৪) জিলা আৰক্ষী বিষয়া, ধুবুৰী।
৫) জিলা তথ্য আৰু জনসংযোগ বিষয়া, ধুবুৰী।
(তেখেতক মাইকৰ জৰিয়তে বহল প্ৰচাৰৰ বাবে তথা যিকোনো এখন অসমীয়া বাতৰি কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ অনুৰোধ জনোৱা হল।)
৬) কাৰ্য্যালয়ৰ নোটিচ বৰ্ড।

কাৰ্য্যবাহী বিষয়া
পৌৰসভা, ধুবুৰী

CamScanner